**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 16-05-2026** **Time : 1340 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে ব্যৱসায়-বাণিজ্যৰ সৰলীকৰণ আৰু জনসাধাৰণৰ বাবে জীৱন যাত্ৰা সুগম কৰি তোলাৰ ব্যৱস্থা উন্নত কৰাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে দোহাৰিছে।

৩। ডেংগিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ৰাষ্ট্ৰীয় ডেংগি দিৱস পালন কৰা হৈছে।

৪। ছিকিমে আজি ইয়াৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত নেডাৰলেণ্ডছত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি দেশখনৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰিব। তদুপৰি তেওঁ দেশখনৰ ৰজা উইলেম আলেকজেণ্ডাৰ আৰু ৰাণী মেক্সিমাকো সাক্ষাৎ কৰিব। উল্লেখযোগ্য যে, ইউৰোপীয় দেশখনৰ সৈতে ভাৰতৰ কৌশলগত আৰু অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীগৰাকী নেডাৰলেণ্ডছ ভ্ৰমণলৈ গৈছে। শেহতীয়াকৈ সমাপ্ত হোৱা ভাৰত-ইউৰোপ মুক্ত বাণিজ্য চুক্তিৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰাৰ লগতে ইয়াৰ জৰিয়তে দেশ দুখনৰ মাজৰ সম্পৰ্ক বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

যোৱা নিশা এমষ্টাৰডাম বিমানবন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীক দেশখনৰ বিদেশ মন্ত্ৰী টম বেৰেণ্ডছনে আদৰণি জনায়। পৰম্পৰাগত নৃত্য আৰু গীত-মাতৰ অনুষ্ঠানেৰে তেওঁক আদৰণি জনোৱাৰ উদ্দেশ্যে আয়োজিত এটা অনুষ্ঠানত ভিন ভিন বয়স, ধৰ্ম আৰু সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা ভাৰতীয় সম্প্ৰদায়ৰ বৃহৎসংখ্যক লোক উপস্থিত থাকে। প্ৰধানমন্ত্ৰীগৰাকী উপস্থিত হোৱাৰ লগে লগে কেউদিশে **মোদী- মোদী** আৰু **বন্দে মাতৰম** ধ্বনি শুনিবলৈ পোৱা যায়।

শ্ৰীমোদীয়ে আজি দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয় লোকসকলৰ সৈতে মত বিনিময় কৰিব। আয়োজকসকলে ঐতিহাসিক অনুষ্ঠান বুলি অভিহিত কৰা আজি আবেলি হ'বলগীয়া এই মত বিনিময় অনুষ্ঠানৰ বাবে হাজাৰ হাজাৰ প্ৰবাসী ভাৰতীয় নাগৰিকে আগ্ৰহেৰে অপেক্ষা কৰি থকা বুলি আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, এই মত বিনিময় সময়ত ভাৰত আৰু নেডাৰলেণ্ডছৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়টোৰ লগতে প্ৰবাসী ভাৰতীয়সকলৰ ভূমিকা আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতৰ

অৱস্থিতিৰ লেখিয়া বিষয়সমূহেও স্থান লাভ কৰাৰ সম্ভাৱনা আছে। শ্ৰীমোদীয়ে আজি আবেলি দেশখনৰ আগশাৰীৰ বাণিজ্যিক প্ৰতিষ্ঠানসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলকো সাক্ষাৎ কৰিব।

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ছোৱাত বিশেষকৈ ছেমিকণ্ডাক্টৰ চিপছ্ আৰু কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি ভিন ভিন খণ্ডক সামৰি কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। নেডাৰলেণ্ডছ্ ভ্ৰমণৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী কালি সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ আবু ধাবিত ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহ্য়ানৰ সৈতে এখন বৈঠকত মিলিত হয়।

নেডাৰলেণ্ডছ্ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী কাইলৈ ছুইডেনৰ গোথেনবাৰ্গলৈ যাব আৰু দেশখনৰ প্ৰধানমন্ত্ৰী ওল্ফ কিষ্টাৰছনৰ সৈতে দ্বিপাক্ষিক আলোচনাত ভাগ ল'ব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে সহযোগিতাৰ নতুন নতুন খণ্ডৰ বিষয়ত আলোচনা কৰিব। শ্ৰীমোদীয়ে অহা ১৮ মে'ত নৰৱে ভ্ৰমণ কৰিব। তাত তেওঁ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলনত অংশ লোৱাৰ লগতে দ্বিপাক্ষিক আলোচনাত ভাগ ল'ব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত তেওঁ ইটালীলৈ যাব আৰু তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ছাৰ্জিঅ' মেটাৰেলাক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতেও আলোচনাত মিলিত হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যৱসায়-বাণিজ্যৰ সৰলীকৰণ আৰু জনসাধাৰণৰ বাবে জীৱন যাত্ৰা সুগম কৰি তোলাৰ ব্যৱস্থা উন্নত কৰাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে দোহাৰিছে। বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত কৰ, শুল্ক তথা উপকৰ বৃদ্ধি কৰা বুলি সংবাদ মাধ্যমত প্ৰচাৰিত এটা বাতৰিৰ সত্যতা অস্বীকাৰ কৰি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে এই বাতৰিৰ কোনো ভিত্তি নাই বুলি কয়। বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত এনে ধৰণৰ কোনো প্ৰতিবন্ধকতা আৰোপ কৰাৰ প্ৰশ্নই উঠা নাই বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, পৰৱৰ্তী সময়ত সংশ্লিষ্ট সংবাদ সংস্থাটোৱে এই বাতৰিটো প্ৰত্যাহাৰ কৰাৰ লগতে সামাজিক মাধ্যমৰ হেণ্ডলৰ পৰা ইয়াৰ সৈতে জড়িত বাৰ্তাটো মচি পেলায়। আন এটা বাৰ্তাত সংবাদ সংস্থাটোৱে এই সন্দৰ্ভত পূৰ্বে প্ৰকাশ কৰা বাতৰিটো সত্যৰ আধাৰত প্ৰতিষ্ঠিত নাছিল বুলি উল্লেখ কৰি বিষয়টোক লৈ খেদ প্ৰকাশ কৰে।

ooooooo

আজি ৰাষ্ট্ৰীয় ডেংগি দিৱস। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰা এই দিৱসৰ জৰিয়তে ডেংগিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি আৰু এই ৰোগ প্ৰতিৰোধৰ উপায়ৰ বিষয়ে অৱগত কৰাৰ প্ৰয়াস কৰি অহা হৈছে। এই দিৱসৰ জৰিয়তে মহৰ প্ৰজনন ৰোধ কৰাৰ বাবে আবদ্ধ পানী নিষ্কাষণ আৰু পানী জমা ৰখা টেংকসমূহৰ সঠিক তদাৰককে ধৰি সৰল নিয়ন্ত্ৰণ কৌশলৰ প্ৰসাৰত গুৰুত্ব দিয়া হয়। ডেংগি ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে প্ৰাক্-বাৰিষা সজাগতা কাৰ্যসূচীৰ দিশৰ পৰা মে'ক গুৰুত্বপূৰ্ণ মাহ হিচাপে গণ্য কৰা হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জুলাইক ডেংগি প্ৰতিৰোধী মাহ হিচাপে পালন কৰি আহিছে। এই সময়চোৱাত ৰাষ্ট্ৰজুৰি সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই ডেংগি ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে আৰু নিজৰ চৌপাশৰ অঞ্চলসমূহ পৰিস্কাৰ কৰি ৰখাৰ বাবে সজাগতা সৃষ্টিৰ বাবে জনসাধাৰণক আগবাঢ়ি

আহিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰীয় ডেংগি দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীনাড্ডাই কয় যে চৰকাৰে বৰ্ধিত নিৰীক্ষণ, সম্প্ৰসাৰিত পৰীক্ষণ, উন্নত চিকিৎসা আৰু ব্যাপক সজাগতা অভিযানৰ মাধ্যমেৰে এই ৰোগ প্ৰতিৰোধৰ প্ৰচেষ্টা সুদৃঢ় কৰাৰ বাবে কাম কৰি আহিছে। এই বছৰ দিৱসৰ মূল বিষয়বস্তু হৈছে ডেংগি নিয়ন্ত্ৰণৰ বাবে সমূহীয়া অংশগ্ৰহণ ঃ পৰীক্ষা কৰা, পৰিস্কাৰ কৰা আৰু ঢাকি থোৱা।

০০০০০০০

ছিকিমে আজি ইয়াৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। ১৯৭৫ চনৰ আজিৰ দিনটোতে ৰাজ্যখনৰ আনুষ্ঠানিকভাৱে ভাৰতৰ সৈতে চামিল হৈছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰতিষ্ঠা দিৱস উপলক্ষে গেংটকৰ মনন কেন্দ্ৰত বিয়লি আয়োজিত মূল অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং আৰু ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াও উপস্থিত থাকিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ ওলগ জনাইছে। শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে এটা বাৰ্তাত কয়, যে ছিকিমৰ নয়নাভিৰাম প্ৰাকৃতিক সৌন্দৰ্য, চহকী সাংস্কৃতিক ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাই ৰাজ্যখনক সমগ্ৰ ৰাষ্ট্ৰৰ বাবে বহনক্ষম উন্নয়নৰ আদৰ্শ হিচাপে গঢ়ি তুলিছে। তেওঁ লগতে ছিকিমৰ জনসাধাৰণ আতিথ্য, সৰলতা আৰু সম্প্ৰীতিৰ মনোভাৱৰ বাবে পৰিচিত ৰাষ্ট্ৰপতিগৰাকীয়ে ছিকিমবাসীৰ শান্তি আৰু সমৃদ্ধি কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে দেশৰ বিকাশত ৰাজ্যখনৰ যথেষ্ট অৱদান আছে। ৰাজ্যখন প্ৰতিষ্ঠাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবছৰৰ উদযাপন বিশেষ তাৎপৰ্যপূৰ্ণ হৈ উঠা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শেহতীয়া ছিকিম ভ্ৰমণৰ কথা স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই উদযাপনৰ সময়ত ৰাজ্যখনৰ জনসাধাৰণক সংগ দিবলৈ পোৱাটো তেওঁৰ বাবে সৌভাগ্যৰ কথা। জনসাধাৰণৰ পৰা লাভ কৰা মৰম-আদৰ চিৰস্মৰণীয় হৈ ৰ'ব বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে অনাগত সময়ত ৰাজ্যখনলৈ বিকাশ আৰু উন্নয়নৰ বাবে সহযোগিতা আগবঢ়াই যাব বুলি আশ্বাস দিয়ে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিজৰ বাৰ্তাত কয়, যে বিশ্বৰ প্ৰথমখন সম্পূৰ্ণৰূপে জৈৱিক সামগ্ৰী উৎপাদিত ৰাজ্যৰূপে পৰিগণিত হোৱাৰ পৰা আৰম্ভ কৰি পাহাৰীয়া পৰ্যটনক নতুন ৰূপ দিয়া ছিকিমৰ সাফল্যই সমগ্ৰ দেশকে অনুপ্ৰাণিত কৰিছে।

০০০০০০০০

ত্ৰিপুৰাত শান্তি-শৃংখলা পৰিকাঠামো সুদৃঢ় কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে আনুষ্ঠানিকভাৱে এটা অতিৰিক্ত ভাৰত সংৰক্ষিত বেটেলিয়ন গঠনত অনুমোদন জনাইছে। কেন্দ্ৰীয় চৰকাৰে এই বেটেলিয়ন গঠনৰ বাবে ৫০ কোটি টকা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে ৩০ কোটি টকাৰ এককালীন বিত্তীয় অনুদানত মঞ্জুৰি দিছে। এই নতুন বেটেলিয়নটোৱে আহিলাপাতি আৰু নিয়োজনৰ ক্ষেত্ৰত মানক যুক্তৰাষ্ট্ৰীয় নিয়মাৱলী মানি চলিব আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযান তথা সীমান্তৰ সুৰক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰিব। কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়োজন সাপেক্ষে এই জোৱানসকলক দেশৰ যিকোনো স্থানত নিয়োজিত কৰাৰ অধিকাৰ থাকিব। ইপিনে, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মাণিক সাহাই আশা কৰ্মীসকলৰ কল্যাণৰ প্ৰতি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে, চেন্নাই চুপাৰ কিংছক ৭ উইকেটত পৰাস্ত কৰে।

খেলখনত জয়লাভ কৰাৰ পাছতো লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ অন্তিম স্থানত আছে। দলটো ইতিমধ্যে প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ পৰা হৈছে। ইয়াৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছ সম্প্ৰতি ষষ্ঠ স্থানত আছে আৰু দলটো শীৰ্ষৰ ৪টা দলৰ ভিতৰত প্ৰৱেশৰ আশা অক্ষুণ্ণ আছে।

০০০০০০০০

**সমাপ্ত**